Direct Joining

অসম চৰকাৰৰ পঞ্জীয়নভুক্ত হিন্দুস্থান লিভাৰ, বাজাজ, নিহাৰ তেল, গডৰেজ, পান মচলা কোম্পানীত নতুনকৈ খালী হোৱা পদত ৩জন ইউনিট মেনেজাৰ, ৮জন ইনচাৰ্জ, ১২জন চুপাৰভাইজাৰ, ৫০জন পেকেজাৰৰ প্ৰয়োজন। **দৰমহা ১৩,৫০০-২০,০০০ পৰ্যন্ত। থকা-খোৱা, PF / Medical /Bonous / OT পাব।** সকলো জিলাৰ নিবনুৱাসকলে যোগাযোগ কৰিব পাৰে।

84866-93056
70868-32302

স্বাস্থ্য আৰু শৰীৰ

মাত্ৰ ৭ (সাত) দিনত মাদকদ্ৰব্যক দিয়ক চিৰবিদায়। ১০০% গেৰাণ্টি। Ph.9070428059.

আপুনি ডায়েবেটিছৰ ৰোগী নেকি? মাত্ৰ ২০ দিনত ডায়েবেটিছৰ পৰা মুক্তি! ১০০% গেৰাণ্টি।
Ph.9070428059.

পাইলছ ৰোগীৰ বাবে সুখবৰ! মাত্ৰ ১৫ দিনত পাইলছক দিয়ক চিৰবিদায়। ১০০% গেৰাণ্টি।
Ph.8811009600.

কেন্সাৰ, মৃগী, বাতবিষ, বগা দাগ, পাইলছ্, ডায়েবেটিছ্ আদি জটিল ৰোগৰ আয়ুৰ্বেদিক চিকিৎসা আৰু থেৰাপি (পঞ্চকৰ্ম)ৰ বাবে

শতগুণ আয়ুৰ্বেদিক ক্লিনিক এণ্ড ৰিছাৰ্চ চেণ্টাৰ, জু-ৰোড তিনিআলি, গুৱাহাটী-২৪

ফোন ঃ 98642 78633, 98549 30714

বিভিন্ন দাবীৰ সমৰ্থনত বাঁও-গণতান্ত্ৰিক মঞ্চৰ প্ৰতিবাদী সমদল, গুৱাহাটীত বৃহস্পতিবাৰে

শিক্ষানুষ্ঠানৰ তথ্য বিচাৰি আবেদন কৰা ব্যক্তিক ভাবুকি

জনগণ সেৱা, লাহৰীঘাট, ১২ অক্টোবৰ ঃ শিক্ষানুষ্ঠানৰ তথ্য বিচাৰি আবেদন কৰা এগৰাকী ব্যক্তিক শিক্ষানুষ্ঠানটোৰে জড়িত একাংশই ভাবুকি দিয়াৰ অভিযোগ উত্থাপিত হৈছে মৰিগাঁৱৰ লাহৰীঘাটত। ঘটনাৰ বিৱৰণী মতে, লাহৰীঘাট শিক্ষা খণ্ডৰ অন্তৰ্গত দাঁতিয়ালবড়ী ছিনিয়ৰ মাদ্ৰাছাত কৰ্মৰত শিক্ষক-কৰ্মচাৰী, বিদ্যালয়খনৰ ভূমি সম্পৰ্কীয়কে ধৰি কেইবাটাও বিষয়ৰ তথ্য বিচাৰি অঞ্চলটোৰ ছালমত আলীসহ কেইবাজনো লোকে তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত তথ্য বিচাৰি চলিত বৰ্ষৰ মে' মাহৰ ৩১ তাৰিখে এখন আবেদন কৰিছিল মৰিগাঁও জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত। তথ্য বিচাৰি আবেদন কৰাৰ প্ৰায় চাৰিমাহ উকলিল যদিও আজিলৈকে বিচৰা তথ্য পাবলৈ সক্ষম নহ'ল তেওঁলোকে। ইয়াৰ বিপৰীতে বিদ্যালয়খনৰে জড়িত একাংশ ব্যক্তিয়ে আবেদনকাৰীক বিভিন্ন ধৰণৰ প্ৰদৰ্শন কৰি আবেদনকাৰীক বিভিন্ন ধৰণৰ ভীতি প্ৰদৰ্শন কৰি বিষয়টোৰ পৰা আঁতৰি তাকিবলৈ সকীয়নি দিয়া বুলি ছালত আলীয়ে অভিযোগ কৰিছে। এই ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

সৰ্পবান্ধৱ সৌৰভ বৰকটকীয়ে উদ্ধাৰ কৰিলে ১৩ ফুট দৈৰ্ঘ্যৰ প্ৰকাণ্ড অজগৰ

গোটে গোটে গিলিলে ছাগলী

জনগণ সেৱা, তেজপুৰ, ১২ অক্টোবৰ ঃ তেজপুৰত অজগৰে গোটে গোটে গিলিলে ছাগলী। তেজপুৰ দেৰীসিং ঘাটত কালি নিশা আতংকৰ সৃষ্টি কৰিলে এডাল প্ৰকাণ্ড অজগৰে। গৃহস্থৰ ঘৰত সোমাই গোহালিত বান্ধি থোৱা ছাগলীক আক্ৰমণ কৰিলে প্ৰকাণ্ড অজগৰডালে। অজগৰে গিলি থকা অৱস্থাতে গৃহস্থই চিঞৰ-বাখৰ কৰাত ঘটনাস্থলীত বহু লোক উপস্থিত হয় আৰু বন বিভাগক খবৰ দিয়া হয়। খন্তেক সময়ৰ ভিতৰতে ঘটনাস্থলীত উপস্থিত হৈ সৰ্পবন্ধু সৌৰভ বৰকটকীয়ে অজগৰৰ মুখৰ পৰা ছাগলীটো উদ্ধাৰ কৰে যদিও ইতিমধ্যে ছাগলীৰ মৃত্যু হৈছিল। অৱশ্যে অক্ষত অৱস্থাত প্ৰকাণ্ড অজগৰডাল উদ্ধাৰ কৰি বন বিভাগৰ সহযোগত আজি সৌৰভে ভোমোৰাগুৰি বনাঞ্চলত অজগৰডাল মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰে। প্ৰায় ১৩ ফুট দৈৰ্ঘ্যৰ প্ৰকাণ্ড অজগৰডালৰ ৰং আৰু আকৃতি কিছু পৃথক হোৱাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰকৃতিপ্ৰেমীয়ে এইডাল বিৰল প্ৰজাতিৰ অজগৰ বুলি ধাৰণা কৰিছে। আনহাতে তেজপুৰত এখন সৰ্প উদ্যানৰ ব্যৱস্থা কৰি সাপ আৰু সৰীসৃপ সংৰক্ষণৰ ব্যৱস্থা কৰাৰ বাবে বন বিভাগে চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছে। কাৰণ চলিত বৰ্ষত তেজপুৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত অজগৰকে ধৰি বিভিন্ন প্ৰজাতিৰ ২০০ ৰো অধিক সাপ উদ্ধাৰ কৰি বনাঞ্চলত এৰি দিয়া হৈছে বুলি জানিবলৈ দিয়ে উত্তৰ অসম সংমণ্ডলৰ বন সংৰক্ষক পি শিৱকুমাৰে।

গোলাঘাটত ৰাষ্ট্ৰীয় হস্ততাঁত বস্ত্ৰ মেলা, ২০১৭-১৮

জনগণ সেৱা, গুৱাহাটী, ১২ অক্টোবৰ ঃ কেন্দ্ৰীয় চৰকাৰৰ হস্ততাঁত বস্ত্ৰ বিভাগৰ আৰ্থিক সাহায্যত আৰু অসম চৰকাৰৰ আৰ্টফেডৰ উদ্যোগত গোলাঘাটৰ বেজবৰুৱা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপৰ ছাত্ৰ সন্থাৰ খেলপথাৰত 'ৰাষ্ট্ৰীয় বস্ত্ৰমেলা, গোলাঘাট-২০১৭-১৮'ৰ উদ্বোধনী অনুষ্ঠানৰ শুভাৰম্ভণি হয়। আৰ্টফেডৰ পৰিচালন সঞ্চালক মুকুল ডেকাই আঁত ধৰা এই অনুষ্ঠানত খুমতাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। বন্তিপ্ৰজ্বলনেৰে এই মেলাৰ শুভাৰম্ভ কৰে তেওঁ। বিধায়কগৰাকীয়ে ভাষণত স্থানীয় শিপিনীসকলে এই মেলাৰ পৰা উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰাৰ লগতে হস্ততাঁত বিভাগৰ বিভিন্ন চৰকাৰী আঁচনিসমূহ গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। গোলাঘাট জিলা উপায়ুক্ত গৌৰৱ উপাধ্যায় এই অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি মেলাখনৰ সাফল্য কামনা কৰে। আৰ্টফেডৰ পৰিচালন সঞ্চালকগৰাকীয়ে ভাষণত ৰাষ্ট্ৰীয় মেলাখনে কেনেকৈ অসমৰ শিপিনীসকলক উপকৃত কৰিব তাৰ ব্যাখ্যা আগবঢ়ায়। এই ৰাষ্ট্ৰীয় বস্ত্ৰ মেলা ২০১৭-১৮ ১২ অক্টোবৰৰ পৰা ২৭ অক্টোবৰলৈ অনুষ্ঠিত হ'ব আৰু মেলাখনত প্ৰায় দুই কোট টকা ব্যৱসায় কৰাৰ আশা কৰা হৈছে। মেলাত বিভিন্ন বোৱা-কটা সমবায় সমিতিৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন স্বাস্থ্যৰ বিপনীয়েও অংশগ্ৰহণ কৰিব। উদ্বোধনী সভাত ওপৰোক্ত বিশিষ্ট ব্যক্তিসকলৰ উপৰিও জিলা হস্ততাঁত বিভাগৰ সহকাৰী সঞ্চালক আব্দুল হকক আৰু আৰ্টফেডৰ অভিযন্তা কুশল কুমাৰে অংশগ্ৰহণ কৰি বিদায়ী ভাষণ আগবঢ়ায়। এই ৰাষ্ট্ৰীয় মেলাৰ স'তে সংগতি ৰাখি বিশেষ বিশেষ দিনত স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক সন্ধ্যাৰ আয়োজন কৰা হৈছে। সেয়েহে সকলো ৰাইজৰ অংশগ্ৰহণ আৰু সহায়-সহযোগিতা কামনা কৰিছে উদ্যোক্তাসকলে।

টাটা মোবাইল বাহন ভাড়া কৰা

[illegible] www.ireps.gov.in [illegible]

[illegible]

উত্তৰ-পূব সীমান্ত ৰেলৱে

"হাঁহিমুখে গ্ৰাহকলৈ সেৱা"

LOST

I have lost my State Council for Technical Education Registration Certificate and Migration Certificate No. 3952 of 2005-06.

Sri Koushik Sarma
Darrang

শদিয়াৰ পৰা শৰাইঘাটলৈ পদযাত্ৰা স্বাধীন নাৰী শক্তিৰ

শিৱসাগৰত বিভিন্ন দল-সংগঠনৰ আদৰণি

জনগণ সেৱা, বেতবাৰী, ১২ অক্টোবৰ ঃ অসম আৰু অসমীয়াৰ স্বাৰ্থ ৰক্ষাত নামিল নাৰী সংগঠন। ৩ অক্টোবৰত 'স্বাধীন নাৰী শক্তি' নামৰ সংগঠনটোৰ সৌজন্যত শদীয়াৰ পৰা শৰাইঘাটলৈ আৰম্ভ কৰিছে এক ঐতিহাসিক পদযাত্ৰী। দলটি আজি আবেলি উপস্থিত হয়হি শিৱসাগৰ নগৰত। শিৱসাগৰ ৰংপুৰ জ্যোতি ক্লাবক বিভিন্ন জাতীয় সংগঠন আৰু সচেতন ৰাইজে দলটিক উষ্ম আদৰণি জনোৱাৰ লগতে বাকী থকা যাত্ৰাকালৰ শুভেচ্ছা জ্ঞাপন কৰে। উক্ত আদৰণি অনুষ্ঠানটোৰ স্বাধীন নাৰী শক্তিৰ উপদেষ্টা পৰশ মনি হাজৰিকাই অসম চৰকাৰে ৰাজহ সংগ্ৰহ কৰাৰ অচিলাৰে অসমৰ খিলঞ্জীয়া সকলক মদাহীলৈ ৰূপান্তৰিত কৰা প্ৰচেষ্টাত ক্ষোভ প্ৰকাশ কৰে। দলটিৰ আন সতীৰ্থসকল হ'ল ক্ৰমে সভানেত্ৰী মৌচুমী বৰা, সাংস্কৃতিক সম্পাদিকা গীতা বৰুৱা আৰু বিষয়ববীয়া ৰূপৰেখা বৰদেউৰী। অনুষ্ঠানটিত উপস্থিত থাকি বিভিন্ন দল সংগঠনৰ নেতৃবৰ্গৰ স্বাধীন নাৰী শক্তিৰ এই প্ৰচেষ্টাক আদৰণি জনায়। সদৌ অসম আহোম ছাত্ৰ সন্থাৰ হৈ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি বসন্ত গগৈ, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ দিব্যজ্যোতি দাস, আমছুৰ সাংগঠনিক ইউনিছ তামুলী, আহোম গণ মঞ্চৰ হৈ পুলকেশ গগৈৰ উপৰিও আন বহুতো ক্ৰীড়া-সংগঠক, সমাজ কৰ্মী তথা বিভিন্ন গণ্যমান্য ব্যক্তিৰ উপস্থিতিয়ে অনুষ্ঠানটো জীপাল কৰি তোলে।

নগাঁও জিলাত ২৩১৮ খন বিদ্যালয়ত গুণোৎসৱ

জনগণ সেৱা, নগাঁও, ১২ অক্টোবৰ ঃ ১০ অক্টোবৰৰ পৰা আৰম্ভ হোৱা গুণোৎসৱে নগাঁও জিলাৰ ন-টা প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত ২৩১৮খন বিদ্যালয়ক সামৰি লৈছে। উল্লেখ্য যে নগাঁও জিলাত প্ৰাথমিক, উচ্চ প্ৰাথমিক আৰু দুয়োখন বিদ্যালয় সংলগ্ন বিদ্যালয়কে ধৰি সৰ্বমুঠ ২৩৮৪খন বিদ্যালয় আছে। ইয়াৰ ভিতৰত নতুনকৈ প্ৰাদেশীকৰণ হোৱা বিদ্যালয়ো আছে। এই বিদ্যালয়সমূহৰ ভিতৰত ২৩১৮খন বিদ্যালয়ক দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱে সামৰি লৈছে। নগাঁও জিলাৰ শিক্ষা বিভাগৰ পৰা জানিব পৰা মতে, একেটা চৌহদতে থকা পৃথক প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয় এখন বিদ্যালয়ৰ ১ লাখ ৪৬খন হাজাৰ ২৫জন ছাত্ৰ-ছাত্ৰী আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ ৭২ হাজাৰ ৪৭৪ গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি লৈছে। ইতিমধ্যেই সহস্ৰাধিক বিদ্যালয়ৰ পৰিদৰ্শন সমাপ্ত হৈছে। উল্লেখ্য যে নগাঁও জিলাত থকা প্ৰাথমিক শিক্ষা খণ্ডকেইটা হৈছে বটদ্ৰৱা, জুৰীয়া, কলিয়াবৰ, কপিলী, খাগৰিজান, লাওখোৱা, ৰূপহী, কঠিয়াতলী আৰু নগাঁও আৰবান। ইয়াৰে বটদ্ৰৱাত ২৬৮খন, কলিয়াবৰত ২১৫খন, খাগৰিজানত ২২৬খন, লাওখোৱাত ২৬৬খন, ৰূপহীত ২৯৩খন, কঠিয়াতলীত ৪২৭খন আৰু নগাঁও আৰবানত ১৪৬খন বিদ্যালয় আছে। নগাঁও জিলাত ১৭২০খন প্ৰাথমিক বিদ্যালয়, ২৭৭খন উচ্চ প্ৰাথমিক বিদ্যালয়, ৬৭খন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক সংলগ্ন বিদ্যালয় আৰু ৩২৪খন নতুনকৈ প্ৰাদেশীক বিদ্যালয় আছে।

টংকেশ্বৰ হাজৰিকাৰ বিয়োগ

জনগণ সেৱা, বেবেজীয়া , ১২ অক্টোবৰ ঃ নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাটৰ ক্ষেত্ৰী গাঁও নিবাসী সত্ৰীয়া সংস্কৃতিৰ একনিষ্ঠ সেৱক, তালবাদক তথা ভাৰতীয় ৰে'ল বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী টংকেশ্বৰ হাজৰিকাৰ কালি সন্ধ্যা প্ৰায় ৬ বজাত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ দেহাৱসান ঘটে। আশী উৰ্দ্ধৰ হাজৰিকাই চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰে পৰা স্থানীয় বিভিন্ন ধৰ্মীয় আৰু সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ পৰি সত্ৰীয়া সংস্কৃতিৰ প্ৰসাৰত যথেষ্ট অৰিহণা যোগাই আহিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে এগৰাকী কন্যা, বোৱাৰী, জোঁৱাই, নাতি-নাতিনী আৰু বহু ইষ্ট-কুটুম্ব ইহসংসাৰত এৰি থৈ যায়।

ভাড়াত চলোৱাৰ বাবে বহু উপযোগী গাড়ী আৱশ্যক

[illegible] http://www.ireps.gov.in [illegible]

[illegible]

উত্তৰ-পূব সীমান্ত ৰেলৱে

"হাঁহিমুখে গ্ৰাহকলৈ সেৱা"

সোঁৱৰণ

আদিলা আলী

জন্ম ঃ- ১১ জানুৱাৰী, ১৯৫১
মৃত্যু ঃ- ১৩ অক্টোবৰ, ২০১৪

আজি তোমাৰ তৃতীয় মৃত্যু বাৰ্ষিকীৰ দিনা তোমাক শ্ৰদ্ধা আৰু মৰমেৰে সুঁৱৰিছো। আল্লাই তোমাক বেহেস্ত্ নচিব কৰক।

ইদ্ৰিছ আলী (স্বামী)
আচিফ ইব্ৰাহীম (পুত্ৰ)
চৈয়দা হাচনাহানা (বোৱাৰী)
ড° জোৱাহীৰা তবচ্ছুম আজাদ (কন্যা)
ড° ৰেকিবুল হক্ আজাদ (জোঁৱাই)
আৰিফ আলী ইব্ৰাহীম (পুত্ৰ)
য়াচমিন বেগম (বোৱাৰী)
ৰুব্‌লী আৰু পোহৰ (নাতিনী আৰু নাতি)

সদৌ অসম সংস্কৃত উন্নয়ন পৰিষদৰ কাৰ্যকৰী সভাপতি ৰমেন কলিতাৰ সংবাদমেল সম্বোধন, গুৱাহাটী প্ৰেছক্লাবত, বৃহস্পতিবাৰে

সংবাদ মেল
অসম সংস্কৃত উন্নয়ন পৰিষদ
স্থানঃ- প্ৰেছ ক্লাৱ, গুৱাহাটী
দিনাংকঃ- ১২-১০-২০১৭ ইং চন

শিক্ষয়িত্ৰী মাৰোফা বেগমৰ মৃত্যু

জনগণ সেৱা, শিৱসাগৰ, ১২ অক্টোবৰ ঃ শিৱসাগৰ নগৰৰ পশ্চিম যমুনা ৰোডৰ নিবাসী বিজু আহমেদৰ পত্নী তথা শিৱসাগৰ হলিনেম স্কুলৰ শিক্ষয়িত্ৰী মাৰোফা বেগম (৩৬)ৰ আজি পুৱা ডিব্ৰুগড়ৰ এখন নাৰ্ছিংহোমত মৃত্যু হয়। দীৰ্ঘদিন ধৰি বৃক্কজনিত ৰোগত আক্ৰান্ত শিক্ষয়িত্ৰী গৰাকীৰ নশ্বৰদেহ আজি বিয়লি স্বামী গৃহলৈ অনাৰ পাছত এক শোকাকুল পৰিবেশৰ সৃষ্টি হয়। মাৰোফা বেগমে মৃত্যুৰ সময়ত স্বামীৰ উপৰিও এজন পুত্ৰ আৰু এগৰাকী জীয়াৰীক ইহ-সংসাৰত এৰি থৈ যায়। আজি সন্ধিয়া ৬ বজাত স্থানীয় দৰবাৰ কৱৰস্থানত তেখেতৰ জানাজা সম্পন্ন হয়। মাৰোফা বেগমৰ মৃত্যুত হলিনেম স্কুল কৰ্তৃপক্ষই শোক সভা অনুষ্ঠিত কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

চেঙাত শিশুৰ সলিল সমাধি

জনগণ সেৱা, দৌলাশাল, ১২ অক্টোবৰ ঃ বৰপেটা জিলাৰ চেঙা ৰাজহ চক্ৰ তথা তাৰাবাৰী আৰক্ষী থানাৰ অন্তৰ্গত কাকধোৱা ৰিজাৰ্ভ চেণ্টাৰ এলেকাত কালি আবেলি প্ৰায় চাৰি বজাত পুখুৰীত পৰি এটি শিশুৰ সলিল সমাধি ঘটাত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। শিশুটি কাকধোৱা ৰিজাৰ্ভ চেণ্টাৰ এলেকাৰ আনোৱাৰ হুছেইনৰপ পুত্ৰ ছুৱত জামাল (৫) বুলি জানিব পৰা গৈছে। ঘটনাৰ বিৱৰণী মতে ছুৱত জামাল আৰু তেওঁৰ ভাতৃয়ে খেলি থাকোতে ঘৰৰ ওপৰত থকা পুখুৰী এটিত দুয়ো পৰি যায়। কিছুসময় পিছত স্থানীয় লোকে ছুৱতৰ ভাতৃক পুখুৰীত পৰা জীৱন্তে উদ্ধাৰ কৰে যদিও ছুৱতৰ সন্ধান পোৱা নাছিল।

CINEMA PROGRAMME

JUDWAA 2
TAXI
29/09/2017

GOLD CINEMA
With Multiplex Ambience
ASTC Paltan Bazar, Guwahati
MISSION CHINA
Time : 11.00 am
KAUN MERA KAUN TERA
Time : 02.00 pm
NEWTTON
Time : 05.00 pm & 08.00 pm
JUDWAA 2
Time : 11.15 am, 02.15 pm, 05.15 pm & 08.15
Adv. Telebooking number 9854066166 online booking www.bookmyshow.com

GOLD CINEMA
With Multiplex Ambience
Salasar, Guwahati
JUDWAA 2
Time : 11.00 am, 02.00 pm, 05.00 pm & 08.00 pm
KAUN MERA KAUN TERA
Time : 02.15 pm
MISSION CHINA
Time : 05.15 am
Adv. Telebooking number 0361-2735367 online booking www.bookmyshow.com

GOLD CINEMA
With Multiplex Ambience
L.G. Towers Narengi Tiniali, Guwahati
JUDWAA 2
Time : 11.00 am, 02.00 pm, 05.00 pm & 08.00 pm
Adv. Telebooking number 8811001898 online booking www.bookmyshow.com

GOLD CINEMA
CHAYGAON
JUDWAA 2
Time : 11.00 am,02.00 pm, 05.00 pm & 08.00 pm
Adv. Telebooking number 03623261021 online booking www.bookmyshow.com

FUN CINEMAS
Hub, G.S. Road, Guwahati
RANCHI DAIRIES UA
Time : 12.30 pm & 08.45 pm
KAUN TERA KAUN MERA UA
Time : 02.30 pm
JUDWAA 2
Time : 05.30 pm
Adv. Telebooking timing 9am to 9pm Telebooking number 98641-98500, 98642-98500 online booking www.bookmyshow.com
New Tickets Rates : Silver Rs.120/-, Gold Rs.180/-, Platinum Rs.200/-, Business Rs.250/-
On Morning show before 10 am, Rates are Silver Rs.80/-, Gold Rs.150/-, Platinum Rs.180/- & Business Rs.200/

MEGHDOOT
Paltan Bazar, Guwahati
JUDWAA 2
Time : 11.00 am,02.00 pm, 05.00 pm & 08.00 pm
Phone Number 0361-2543595

APSARA CINEMA
(Airconditioned) Multiplex Ambience
Paltan Bazar, Guwahati
Ticket Rates (Rs. 60, 150, 200)
JUDWAA 2
Time : 11.00 am & 05.00 pm
7days advance booking available at the theatre from 9am onwards.

VANDANA CINEMA
Noonmati, Guwahati
JUDWAA 2
Time : 11.00 am,05.00 pm & 07.30 pm
KHOBH
Time : 02.00 pm
Adv. Telebooking number 0361-2550621

ANURADHA CINEPLEX
Multiplex Ambience
Guwahati
Ticket Rates
(Rs.80, 120, 170 & 250)
RANCHI DIARIES
Time : 02.00 pm
JUDWAA 2
Time : 05.00 pm
Adv. Telebooking No - 8822777555
online booking
www.bookmyshow.com, bookmyevent.in & www.ticketplease.com

PVR CINEMA
Dona Planet Mall, 4th Floor, ABC, Opposite Rajiv Bhawan, Guwahati
JUDWAA 2
Time : 11.00 am, 02.10 pm, 05.20 pm & 08.30 pm
VICTORIA AND ABDUL
Time : 12.15 pm & 07.15 pm
RANCHI DIARIES
Time : 02.45 pm
NEWTON
Time : 05.00 pm
(www.pvrcinemas.com)

আপোনাৰ আজিৰ দিনটো



১৩অক্টোবৰ, ২০১৭, ২৬আহিন, শুকুৰবাৰ, কৃষ্ণ অষ্টমী

মেষ	ভ্ৰমণ	বন্ধু-বান্ধৱৰ দ্বাৰা ভ্ৰমণৰ যোগ। ধৰ্মৰ প্ৰতি আস্থা বাঢ়িব। শত্ৰুৰ পৰা সাৱধান
বৃষ	অস্থিৰতা	পাৰিবাৰিক জীৱনত অশান্তি। সন্তানৰ পৰা ধন লাভ। বিদ্যাত শুভ। স্বাস্থ্য অশুভ
মিঠুন	খ্যাতি	শত্ৰুৰ পৰা সাৱধান। হঠাৎ খৰচৰ মাত্ৰা বৃদ্ধি হ'ব পাৰে। বিদ্যাত শুভ। স্বাস্থ্য অসুভ।
কৰ্কট	ভয়	অগ্নি-পানীৰ পৰা আঁতৰত থাকিব। বিদ্যাত শুভ। স্বাস্থ্য শুভ।
সিংহ	ভ্ৰমণ	আত্মীয় স্বজনৰ দ্বাৰা ধৰ্মীয় অনুষ্ঠান ভ্ৰমণ। স্বাস্থ্য শুভ।
কন্যা	ব্যাধি	ৰোগ হোৱাৰ সম্ভাৱনা। সন্তানৰ প্ৰতি লক্ষ্য ৰাখিব। বিদ্যাত শুভ।
তুলা	লাভ	ধন-সম্পত্তিৰ লাভৰ যোগ। সন্তানৰ সুনাম। স্বাস্থ্য শুভ। শত্ৰু ভয়।
বৃশ্চিক	ক্ষতি	শত্ৰুৱে আপোনাৰ ক্ষতি কৰিব। গুৰুক স্মৰণ কৰক। বিদ্যাত শুভ। স্বাস্থ্য অশুভ।
ধনু	অৰ্থ লাভ	সোণৰ অলংকাৰ লাভ। ব্যৱসায়ত লাভৱান হোৱা দেখা যায়। সন্তানৰ প্ৰতি লক্ষ্য ৰাখিব।
মকৰ	উন্নতি	সন্তানৰ পৰা উন্নতি হোৱা যোগ। উপহাৰ লাভৱান। বিদ্যাত অশুভ।
কুম্ভ	মান	শিক্ষাগুৰু বা দীক্ষাগুৰুৰ পৰা সন্মান লাভ। বিদ্যাত শুভ। স্বাস্থ্যৰ প্ৰতি নজৰ ৰাখিব।
মীন	সন্তানৰ চিন্তা	ল'ৰা-ছোৱালীৰ প্ৰতি চিন্তা বাঢ়িব। স্বাস্থ্য শুভ। শত্ৰু ভয়।

জ্যোতিষ ঃ শ্ৰী চণ্ডীনাথ শৰ্ম্মা, ছিপাঝাৰ, দৰং
ফোন নং ঃ ৯৯৫৭২-৯১৬৮৮

NOTICE INVITING TENDER FOR SALE OF TIMBER LOTS UNDER DIGBOI FOREST DIVISION

It is for general information of all concerned that tender for sale of timber lots under Digboi Forest Division has been fixed on 02/11/2017 upto 3 P.M (I.S.T). In case of the office remain closed on that day, for any reason, the next working day shall be fixed as the date of receiving tender. The intending tenderer may collect the detailed Sale Notice from the office of the undersigned during working hours on payment of Rs. 50.00 (Rupees fifty) only and Rs. 5.00 (Rupees five) for each copy of tender Form, which are no refundable.

Sd/-
Divisional Forest Officer
Digboi Division, Digboi

Janasanyog/C/3995/17

Tender No. 291 of 2016-17
PRESS NOTICE INVITING TENDER

The Addl. Chief Engineer-cum-Director, PWD, BTC, Kokrajhar invites bids for the following *6 (Six)* works under **AOP (BTC) & SOPD (BTC)** for the year 2015-16 & 2016-17 with an estimated value of ***Rs.4,23,64,516.00 (Rupees four crore twenty three lakh sixty four thousand five hundred & sixteen) only*** *(Approx.)* under *PWD, Mushalpur (R&B) Division, Baksa*, from eligible contractors registered with Public Works Department (Roads), Assam and Bodoland Territorial Council.

Details may be seen at the website http://assamtenders.gov.in and also in the office of the undersigned during office hours.

Sd/-
Addl. Chief Engineer-cum Director,
PWD, BTC, Kokrajhar.

IPR/BTC/-396/2017